# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 28-10-2024
**Time :** 07-55 Hrs

***<u>Assamese Morning Bulletin</u>***
**::::::::::::::::::::::::::::::::::::::::::**

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ১০ মে'ত ৰাজ্যৰ ৩৫ হাজাৰ যুৱক-যুৱতীক নিযুক্তি দিব বুলি ঘোষণা কৰে। ইতিমধ্যে ৰাজ্যত হৈ যোৱা তৃতীয় আৰু চতুৰ্থবৰ্গৰ পৰীক্ষাৰ ফলাফল অহা ফেব্ৰুৱাৰী মাহত ঘোষণা কৰাৰ কথাও তেওঁ ঘোষণা কৰে। এই পৰীক্ষাত প্ৰতিটো পদৰ বিপৰীতে দুজনকৈ প্ৰাৰ্থী বাছনি কৰাৰ পিছতে মৌখিক পৰীক্ষা অনুষ্ঠিত হ'ব। তেওঁ উল্লেখযোগ্য যে, তৃতীয় আৰু চতুৰ্থবৰ্গৰ নিযুক্তি পৰীক্ষাৰ কেন্দ্ৰসমূহত আৰক্ষী তথা নিৰীক্ষকসকলে ক্ৰুটি অবিহনে দায়িত্ব পালন কৰাৰ কথা উল্লেখ কৰে। আনহাতে এইবাৰৰ পৰীক্ষা ভুল উত্তৰৰ বাবে নিগেটিভ নম্বৰ প্ৰদানৰ ব্যৱস্থা কৰা হৈছে বুলি সংবাদ মেলত মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। অহা মে' মাহত চৰকাৰৰ চতুৰ্থ বৰ্ষপুৰ্তি উপলক্ষে এই পদক্ষেপ গ্ৰহণ কৰি পুনৰ ১৫ হাজাৰ নতুন পদৰ বিজ্ঞাপন প্ৰদান কৰিব বুলি তেওঁ জানিবলৈ দিয়ে।

০০০০০০০

নতুন শিক্ষা বৰ্ষৰ পৰা ৰাজ্যৰ বিদ্যালয়সমূহত মাতৃভাষা মাধ্যমত পাঠদান হ'ব বুলি শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে ঘোষণা কৰে। তেওঁ কয় যে, মিচিং, দেউৰী, তিৱা, চাওতালী, ৰাভা, ডিমাচা ভাষাৰ  মাধ্যমত শিক্ষা দান কৰাৰ বাবে ৰাজ্য চৰকাৰে সিদ্ধান্ত গ্ৰহণ কৰিছে। উল্লেখযোগ্য যে সাহিত্য সভাসমূহক ইতিমধ্যে পাঠ্যপুথি প্ৰস্তুতৰ দায়িত্ব দিয়াৰ লগতে এই পাঠ্যপুথিসমূহ বিদ্যালয়সমূহত উপলবদ্ধ হ'ব বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

০০০০০০০

দুৰ্নীতিমুক্ত সমাজৰ লক্ষ্যত উপনীত হোৱা তথা ৰাজহুৱা জীৱনত ন্যায়পৰায়নতাৰ ভাৱাদৰ্শ সংবৰ্ধনৰ উদ্দেশ্যে আজিৰ পৰা দেশজুৰি তদাৰকী সজাগতা সপ্তাহ পালন কৰা হৈছে। এই কাৰ্যসূচীৰ বিষয়বস্তু হৈছে - সত্যনিষ্ঠাৰ সংস্কৃতিৰ দ্বাৰা দেশৰ সমৃদ্ধি। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কেন্দ্ৰীয় তদাৰকী আয়োগে গণমুখী প্ৰচাৰ অভিযানেৰে এই কাৰ্যসূচীত সংশ্লিষ্ট প্ৰতিটো পক্ষৰে অংশগ্ৰহণ সুনিশ্চিত কৰাৰ বাবে গ্ৰহণ কৰা প্ৰয়াসৰ শলাগ লয়। মুখ্যমন্ত্ৰীয়ে এটা শুভেচ্ছা বাৰ্তাত উল্লেখ কৰে যে পুৰাতন ভাৰতীয় সংস্কৃতিয়ে আগবঢ়োৱা প্ৰমূল্যবোধৰ অন্যতম শিক্ষা হৈছে - সততাৰ শিক্ষা। তেওঁ কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ডিজিটেল ভাৰত অভিযানৰ সূচনাৰে চৰকাৰৰ প্ৰতিটো কাম-কাজত তথ্য প্ৰযুক্তিৰ ব্যাপক প্ৰয়োগেৰে প্ৰশাসন ব্যৱস্থাৰ স্বচ্ছতা আৰু দায়বদ্ধতা সুনিশ্চিত কৰিছে। প্ৰধানমন্ত্ৰী মোদীৰ আদৰ্শেৰে অনুপ্ৰাণিত হৈ ৰাজ্য চৰকাৰেও দুৰ্নীতিৰ বিৰুদ্ধে শূন্য সহনশীল নীতি গ্ৰহণ কৰি আহিছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰী শৰ্মাই কয় যে অনাগত সময়ত অবিৰতভাৱে এই যাত্ৰা অব্যাহত ৰাখি স্বচ্ছ প্ৰশাসন ব্যৱস্থা গঢ় দিবলৈ ৰাজ্য চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ। মুখ্যমন্ত্ৰীয়ে এই তদাৰকী সপ্তাহ উদযাপনৰ সময়ত ৰাজ্যৰ চৰকাৰী-বেচৰকাৰী বিষয়া-কৰ্মচাৰীসকল অধিক দায়িত্বশীল হ'ব লাগিব বুলি উল্লেখ কৰে। তেওঁ লগতে প্ৰতিগৰাকী

নাগৰিকক এই দিশত বিশেষভাৱে সজাগ হৈ দুৰ্নীতিৰ বিৰুদ্ধে চলোৱা যুঁজত দৃঢ়তাৰে সহযোগিতা আগবঢ়াবলৈ আহ্বান জনায়।

উল্লেখযোগ্য যে লোক প্ৰশাসন আৰু শাসন ব্যৱস্থাত স্বচ্ছতা তথা নীতি-নিয়মৰ প্ৰয়োজনীয়তা সন্দৰ্ভত ব্যাপক সচেতনতা সৃষ্টিৰ উদ্দেশ্যে তদাৰকী সজাগতা সপ্তাহ পালন কৰা হয়। মন্ত্ৰালয়, বিভাগ, ৰাজহুৱা অধিগ্ৰহণৰ সংস্থা, বেংক তথা অন্যান্য সংস্থাসমূহৰ কৰ্মচাৰীসকলৰ শপতগ্ৰহণৰ জৰিয়তে এই কাৰ্যসূচী আৰম্ভ হ'ব। এই সময়ছোৱাত দুৰ্নীতি বিৰোধী সমাজ গঢ়ি তোলাৰ উদ্দেশ্যে কেইবাটাও কাৰ্যসূচী গ্ৰহণ কৰা হ'ব। ভাৰতৰত্ন চৰ্দাৰ বল্লৱভাই পেটেলৰ জন্মদিৱসৰ সৈতে সংগতি ৰাখি প্ৰতিবছৰে এই সময়ছোৱাত সতৰ্কতা সজাগতা সপ্তাহ পালন কৰা হয়।

0000000

ৰাজ্যৰ ৫টা বিধানসভা সমষ্টিৰ বাবে হ'বলগীয়া উপ-নিৰ্বাচনৰ মনোনয়ন পত্ৰসমূহ আজি পৰীক্ষা কৰা হ'ব। এই উপ-নিৰ্বাচনৰ বাবে মুঠ শাসক-বিৰোধী আৰু নিৰ্দলীয়কে ধৰি মুঠ ৩৮ গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন পত্ৰ দাখিল কৰিছে। পৰহিলৈ মনোনয়ন পত্ৰ প্ৰত্যাহাৰৰ অন্তিম দিন ধাৰ্য্য কৰা হৈছে।

0000000

শ্ৰোতাসকলে আমাৰ এই বাতৰি আকাশবাণী গুৱাহাটীৰ ইউটিউব চেনেল এ আই আৰ নিউজ গুৱাহাটী আৰু নিউজ অন এয়াৰ এপত শুনিবলৈ পাব। শেহতীয়া বা-বাতৰিৰ বাবে আকাশবাণীৰ **ফেচবুক পেজ-এয়াৰ নিউজ গুৱাহাটী, এক্স হেণ্ডেলত-এয়াৰ নিউজ_জি এইছ ৰাই, ইউটিউবত এ আই আৰ নিউজ গুৱাহাটী আৰু ইনষ্টাগ্ৰামত এয়াৰ নিউজ_গুৱাহাটী** ফ'ল' কৰিব পাৰে।

0000000

যোৱা ২০ অক্টোবৰৰ পৰা বন্ধ হৈ থকা মাজুলীৰ কমলাবাৰী-নিমাতীঘাট জলপথেৰে পুনৰ ফেৰী চলাচল আৰম্ভ কৰাৰ বাবে খনন কাৰ্য চলাই থকা হৈছে। ব্ৰহ্মপুত্ৰৰ জলস্তৰ অস্বাভাৱিকভাৱে হ্ৰাস পোৱাৰ লগতে মাজুলীৰ কমলাবাৰী পাৰঘাটৰ কিছু অংশত নতুনকৈ বালিচৰ পৰা হেতুকে এই ফেৰীসেৱা বন্ধ কৰা হৈছিল। জলপথটোৰ স্পৰ্শকাতৰ অংশত জলস্তৰৰ গভীৰতা বৃদ্ধিৰ বাবে আভ্যন্তৰীণ জল পৰিবহন বিভাগে কেন্দ্ৰীয় অভ্যন্তৰীণ জলপথ প্ৰাধিকৰণৰ সহযোগত ২৫ অক্টোবৰৰ পৰা খনন কাৰ্য অব্যাহত ৰাখিছে। ড্ৰেজাৰেৰে বালিচৰ খন্দা অংশৰে নদীখনৰ উপখুঁটিৰ পানীৰ ধাৰৰ প্ৰাবল্য বৃদ্ধি হোৱাকৈ বাঁহ পুতি বাণ্ডলিং কৰাৰ কামো পূৰ্ণ গতিত অব্যাহত আছে বুলি বিভাগে প্ৰকাশ কৰিছে।

0000000

**সমাপ্ত**